জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ২৫৩/২০২১

# শিলচৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালত ৪০খন বিচনাযুক্ত আই চি ইউ নিৰ্মাণৰ বাবে মুখ্যমন্ত্ৰী ড° শৰ্মাৰ উপস্থিতিত স্বাক্ষৰিত হ'ল বুজাবুজিৰ চুক্তি

**দিছপুৰ, ৮ ছেপ্টেম্বৰ ঃ** শিলচৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালত ৪০খন বিচনাযুক্ত আই চি ইউ নিৰ্মাণৰ বাবে আজি ক'ল ইণ্ডিয়া লিমিটেড আৰু ৰাজ্য চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ চিকিৎসা শিক্ষা সঞ্চালকালয়ৰ মাজত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত এখন বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়। জনতা ভৱনস্থিত মুখ্যমন্ত্ৰীৰ সভাকক্ষত অনুষ্ঠিত হোৱা এই বুজাবুজিৰ চুক্তিত স্বাক্ষৰ অনুষ্ঠানত উপস্থিত থাকি মুখ্যমন্ত্ৰী ড° শৰ্মাই শিলচৰ চিকিৎসা মহাবিদ্যালয়ত আই চি ইউৰ পৰিসৰ বৃদ্ধিৰ বাবে ৰাজ্য চৰকাৰলৈ সহায়ৰ হাত আগবঢ়োৱাৰ বাবে ক'ল ইণ্ডিয়া লিমিটেডৰ পৰিচালক মণ্ডলীক বিশেষভাৱে ধন্যবাদ জ্ঞাপন কৰে। কোম্পানীটোৰ সামাজিক দায়বদ্ধতাৰ কাৰ্যসূচীৰ অংশ হিচাপে ৰূপায়ণ কৰিবলগীয়া এই পদক্ষেপে সমগ্ৰ বৰাক উপত্যকাৰ ৰোগীসকলক জটিল চিকিৎসাজনিত সা-সুবিধা লাভৰ দিশত বিশেষভাৱে সহায় কৰিব বুলিও তেওঁ কয়।

আজিৰ এই বুজাবুজিৰ চুক্তি স্বাক্ষৰ অনুষ্ঠানত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সমীৰ কুমাৰ সিনহা, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ প্ৰধান সচিব অনুৰাগ গোৱেল, চিকিৎসা শিক্ষা সঞ্চালক ডাঃ অনুপ কুমাৰ বৰ্মন, ক'ল ইণ্ডিয়া লিমিটেডৰ সঞ্চালক (কৰ্মচাৰী) বিনয় ৰঞ্জন, ক'ল ইণ্ডিয়া লিমিটেডৰ কাৰ্যবাহী সঞ্চালক (কমিউনিটি ডেভলপমেন্ট) বি সাইৰাম উপস্থিত থাকে।

**সুঃদঃ / বঃভাঃ /০৮-০৯-২০২১**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in